NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 19-**10-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আলজেৰিয়া, ম'ৰিটেনিয়া আৰু মলাৱিৰ ত্ৰিদেশীয় ভ্ৰমণ সামৰি নতুন দিল্লীলৈ ৰাওনা হৈছে।

২। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কৈছে যে, শিক্ষাৰ ব্যৱসায়ীকৰণে শিক্ষাৰ মানৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাইছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ তেওঁৰ সংসদীয় সমষ্টি বাৰাণসীত প্ৰায় ছহেজাৰ ৬০০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উন্নয়ন আৰু আধাৰশিলা স্থাপন কৰিব।

৪। বিজয়া ৰহাটকৰক ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষ হিচাপে নিয়োগ কৰা হৈছে। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে এই সন্দৰ্ভত এখন অধিসূচনা জাৰি কৰিছে।

*আৰু*

৫। ভাৰতে নিউজিলেণ্ডৰ বিৰুদ্ধে বেংগালুৰুত অনুষ্ঠিত তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ আজি চতুৰ্থ দিনা ৪৬২ ৰানত দ্বিতীয় ইনিংছ সামৰে।

oooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আলজেৰিয়া, ম'ৰিটেনিয়া আৰু মলাৱিৰ ত্ৰিদেশীয় ভ্ৰমণ সামৰি ম'লাৱিৰ পৰা নতুন দিল্লীলৈ ৰাওনা হৈছে। এই সন্দৰ্ভত শুনক আমাৰ সংবাদদাতা ময়ুযাৰ চমু প্ৰতিবেদন--

*(বাইট)*

oooooooo

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কৈছে যে, শিক্ষাৰ ব্যৱসায়ীকৰণে শিক্ষাৰ মানৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাইছে। ৰাজস্থানৰ ছিকাৰত আজি বিয়লি এখন ব্যক্তিগত শিক্ষা প্ৰতিষ্ঠানৰ এটা অনুষ্ঠানত ভাষণ দি শ্ৰী ধনখড়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, শিক্ষাৰ ব্যৱসায়ীকৰণ ৰাষ্ট্ৰৰ ভৱিষ্যতৰ বাবে কেতিয়াও ভাল নহয়। তেওঁ কয় যে, শিক্ষা কেতিয়াও আয়ৰ উৎস নাছিল বৰং ত্যাগ, দান আৰু সুস্থ ৰাষ্ট্ৰ নিৰ্মাণৰহে মাধ্যম আছিল। শিক্ষা সম্প্ৰতি লাভৰ বাবে বিক্ৰী কৰা সামগ্ৰী ৰূপে পৰিগনিত হোৱাৰ বিষয়লৈ উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ক্ষোভ প্ৰকাশ কৰে।

শ্ৰী ধনখড়ে কয় যে, উদ্যোগসমূহ গৱেষণা আৰু উদ্ভাৱনৰ পৰা সৰ্বাধিক লাভান্বিত হৈছে। তেওঁ কয় যে, বিদেশী আক্ৰমণকাৰীসকলে প্ৰাচীন ভাৰতৰ জ্ঞানৰ কেন্দ্ৰসমূহ ধ্বংস কৰিছিল আৰু ব্ৰিটিছ্ শাকন কালত ভাৰতীয় শৈক্ষিক প্ৰতিষ্ঠানসমূহ বিনস্ত কৰা হৈছিল। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে শিক্ষাৰ্থীসকলে শিক্ষাৰ বাবে বিদেশলৈ যাব বিচাৰে যদিও ভাৰতত অনেক সুযোগ আছে। প্ৰতিষ্ঠান আৰু উদ্যোগজগতৰ কাণ্ডাৰীসকলে বিদ্যাৰ্থীসকলক এই

বিষয়ে সজাগ কৰা উচিত বুলি শ্ৰী ধনখড়ে মন্তব্য কৰে। তেওঁ কয় যে, ইয়াৰ ফলত মেধাৰ প্ৰব্ৰজন আৰু বিদেশী মুদ্ৰাৰ লোকচান বন্ধ হ'ব। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে ৰাষ্ট্ৰীয় শিক্ষা নীতিক ভূয়সী প্ৰশংসা কৰে।

00000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ তেওঁৰ সংসদীয় সমষ্টি বাৰানসীলৈ যাব। তাত তেওঁ প্ৰায় ছহেজাৰ ৬০০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উন্নয়ন আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে কেইবাটাও সমাৰেশক সম্বোধন কৰিব। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণলৈ চাই চহৰখনত কেইবা তৰপীয়া সুৰক্ষা ব্যৱস্থা কৰা হৈছে। বাৰানসীৰ আৰক্ষী আয়ুক্ত মোহিত আগৰৱালে কৈছে যে, প্ৰধানমন্ত্ৰী আহ-যাহ কৰিবলগীয়া প্ৰতিটো পথত ড্ৰোণেৰে নিৰীক্ষণ কৰা হ'ব।

00000000

ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেনঞ্জামিন নেতান্যাহুৰ বাসগৃহত আজি পুৱা ড্ৰোণ আক্ৰমণ সংঘটিত হয়। প্ৰাপ্ত বাতৰি অনুসৰি হিজবুল্লাই কেইছেৰিয়া এলেকাত  স্থিত নেতান্যাহুৰ বাসগৃহলৈ লক্ষ্য কৰি এটা ড্ৰোণ নিক্ষেপ কৰে। ইজৰাইলৰ প্ৰধানমন্ত্ৰীৰ মুখপাত্ৰগৰাকীয়ে কৈছে যে, আক্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰী বাসগৃহত নাছিল। এই আক্ৰমণত কোনো লোক হতাহত হোৱা বাতৰি পোৱা হোৱা নাই।

ইজৰাইলৰ সেনা বাহিনীয়ে দেশখনৰ প্ৰধানমন্ত্ৰীৰ বাসগৃহত থকা মধ্যভাগৰ চহৰখনত ড্ৰোণ আক্ৰমণ সংঘটিত হোৱাৰ কথা নিশ্চিত কৰিছে। সেনা বাহিনীয়ে লগতে হিজবুল্লাই নিক্ষেপ কৰা অন্য দুটা ড্ৰোণ লক্ষ্যস্থানত আঘাত হনাৰ পূৰ্বে ধংস কৰা বুলি জানিবলৈ দিছে।

00000000

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কাইলৈ সাত দিনীয়া  ছিংগাপুৰ আৰু অষ্ট্ৰেলিয়া ভ্ৰমণসূচীৰে স্বদেশৰ পৰা ৰাওনা হ'ব। এই ভ্ৰমণসূচীয়ে শিক্ষা খণ্ডৰ পাৰস্পৰিক স্বাৰ্থজৰিত গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহত সহযোগিতা, অংশগ্ৰহণ আৰু সমন্বয় বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে। দুদিনীয়া চিংগাপুৰ ভ্ৰমণসূচীৰ প্ৰথম পৰ্যায়ত শ্ৰী প্ৰধানে দেশখনৰ প্ৰধানমন্ত্ৰী লৰেঞ্চ ৱং, উপ-প্ৰধানমন্ত্ৰী গান কিম য়ং আৰু অন্য জ্যেষ্ঠ নেতাসকলক সাক্ষাৎ কৰিব।

তিনি দিনীয়া অষ্ট্ৰেলিয়া ভ্ৰমণকালত শিক্ষামন্ত্ৰীগৰাকীয়ে ২৩ অক্টোবৰত মেলবৰ্ণত দেশখনৰ শিক্ষামন্ত্ৰী জেছন ক্লেয়াৰক সাক্ষাৎ কৰিব। তেওঁ লগতে অষ্ট্ৰেলিয়া আন্তঃৰাষ্ট্ৰীয় শিক্ষা সন্মিলনৰ পূৰ্ণাংগ বৈঠকত ভাষণ দিব। ২৪ অক্টোবৰত কেন্দ্ৰীয় মন্ত্ৰী প্ৰধানে শৈশৱকালৰ শিক্ষা কৰ্মবাহিনীৰ প্ৰশিক্ষণ সম্পৰ্কীয় সহযোগিতাৰ সুযোগ অন্বেষণৰ উদ্দেশ্যে ছিডনীৰ অবাৰ্ন লং ডে শিশু পৰিচৰ্যা কেন্দ্ৰ পৰিদৰ্শন কৰিব। তেওঁ লগতে উদ্ভাৱন গৱেষণা বিশ্ববিদ্যালয়সমূহৰ প্ৰতিনিধিবৰ্গৰ সৈতে মত বিনিময় কৰিব আৰু অষ্ট্ৰেলিয়া-ভাৰত শিক্ষা তথা দক্ষতা পৰিষদৰ দ্বিতীয়লানি বৈঠকত অংশ ল'ব। ২৫ অক্টোবৰত শিক্ষামন্ত্ৰীগৰাকীয়ে গ্ৰেনভিলে ছাউথ ক্ৰিয়েটিভ আৰু পৰিৱেশ্য কলা উচ্চ মাধ্যমিক বিদ্যালয় পৰিদৰ্শন কৰিব।

00000000

বিজয়া ৰহাটকৰক ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষ হিচাপে নিয়োগ কৰা হৈছে। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে এই সন্দৰ্ভত এখন অধিসূচনা জাৰি কৰিছে। শ্ৰীমতী ৰহাটকৰে ইতিপূৰ্বে মহাৰাষ্ট্ৰৰ ৰাজ্যিক মহিলা

আয়োগৰ অধ্যক্ষ আৰু ঔৰংগাবাদৰ মেয়ৰ হিচাপে  কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ লগতে বিজেপিৰ ৰাষ্ট্ৰীয় সম্পাদক আৰু দলৰ মহিলা শাখাৰ সভাপতি হিচাপে কাম কৰিছিল। মন্ত্ৰালয়ে ৰাষ্ট্ৰীয় মহিলা আয়োগৰ সদস্য হিচাপে ড০ অৰ্চনা মজুমদাৰক নিযুক্তি সন্দৰ্ভতো অধিসূচনা জাৰি কৰিছে।

০০০০০০০

ভাৰতে শ্ৰীলংকাৰ বাগান অঞ্চলৰ ৯ খন বিদ্যালয়ৰ উন্নীতকৰণৰ বাবে অনুদানৰ পৰিমাণ বৃদ্ধি কৰিছে। শ্ৰীলংকা চৰকাৰৰ অনুৰোধ মৰ্মে কেন্দ্ৰীয় চৰকাৰে নিজৰ বিত্তীয় প্ৰতিশ্ৰুতিবদ্ধতা দুগুণলৈ বঢ়োৱাৰ ফলত প্ৰকল্পটোৰ মুঠ ব্যয় ৬০ কোটি শ্ৰীলংকান টকালৈ বৃদ্ধি পাইছে। শ্ৰীলংকাৰ শিক্ষা বিভাগৰ সচিব জে এম তিলকা জয়সুন্দৰ আৰু দেশখনত ভাৰতৰ উচ্চায়ুক্ত সন্তোষ ঝায়ে কালি এই সন্দৰ্ভত কূটনৈতিক পত্ৰ স্বাক্ষৰ আৰু বিনিময় কৰে। আন্তঃগাঁথনি উন্নীতকৰণৰ এই পদক্ষেপ ভাৰতৰ শ্ৰীলংকাৰ সৈতে থকা বৃহত্তৰ উন্নয়ন অংশীদাৰিত্বৰ অংশ আৰু ইয়াৰ জৰিয়তে বিভিন্ন প্ৰকল্পৰ সহায়ত শিক্ষাক অগ্ৰাধিকাৰ প্ৰদানৰ প্ৰয়াস কৰা হৈছে। ভাৰতে এই ক্ষেত্ৰত বিদ্যালয়সমূহৰ মেৰামটি, ই-পুথিভঁৰালৰ নিৰ্মাণ, বৃত্তিমূলক প্ৰশিক্ষণ কেন্দ্ৰ আৰু স্মাৰ্ট শ্ৰেণীকোঠা গঢ়ি তোলাৰ দিশত সকলো ধৰণৰ সহায় আগবঢ়াইছে।

০০০০০০০

নিৰ্বাচন আয়োগে ঝাৰখণ্ড চৰকাৰক ৰাজ্যখনৰ কাৰ্যবাহী আৰক্ষী সঞ্চালক প্ৰধান অনুৰাগ গুপ্তাক ততালিকে কাৰ্যকৰী হোৱাকৈ পদৰ পৰা অপসাৰন কৰিবলৈ নিৰ্দেশ দিছে। আয়োগে ৰাজ্য চৰকাৰক গুপ্তাৰ কাৰ্যভাৰ সঞ্চালক প্ৰধান পৰ্যায়ৰ জ্যেষ্ঠতম বিষয়াক অৰ্পণ কৰিবলৈ কৈছে। ৰাজ্য চৰকাৰক লগতে আজি সন্ধিয়া সাত বজাৰ ভিতৰত এই নিৰ্দেশ পালনৰ প্ৰতিবেদন দাখিল কৰিবলৈ কোৱা হৈছে। ইয়াৰ উপৰি ঝাৰখণ্ড চৰকাৰক সোমবাৰে পুৱা ১০ বজাৰ ভিতৰত ৰাজ্যখনত নিয়োজিত ভাৰতীয় আৰক্ষী সেৱাৰ জ্যেষ্ঠ বিষয়াসকলৰ তালিকা দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। নিৰ্বাচন আয়োগে পূৰ্ব নিৰ্বাচনৰ সময়ত শ্ৰী অনুৰাগ গুপ্তাৰ বিৰুদ্ধে লাভ কৰা অভিযোগ আৰু আয়োগে ব্যৱহাৰ কৰা ব্যৱস্থালৈ চাই এই সিদ্ধান্ত গ্ৰহণ কৰিছে।

০০০০০০০

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰাৰ পাছত সমষ্টিকেইটাত ৰাজনৈতিক গতিবিধি তীব্ৰতৰ হৈ উঠিছে। সমষ্টিকেইটাত মনোনয়ন দাখিল প্ৰক্ৰিয়া চলি আছে।  ধলাই, চিদলী, বঙাইগাওঁ, বিহালী আৰু চামগুৰি সমষ্টিৰ বাবে অহা ১৩ নৱেম্বৰত উপ নিৰ্বাচন অনুষ্ঠিত হ'ব। এই ৫টা সমষ্টিত সৰ্বমুঠ ৯ লাখ ১০ হাজাৰ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব। উপ-নিৰ্বাচন হ'বলগীয়া সমষ্টিকেইটাত মুঠ এহেজাৰ ৭৮টা ভোটকেন্দ্ৰ স্থাপন কৰা হ'ব। এই পাঁচোটা সমষ্টিত সমষ্টি পুনৰ নিৰ্ধাৰণৰ পূৰ্বে থকা অঞ্চলসমূহ সামৰি এই নিৰ্বাচন অনুষ্ঠিত হ'ব।

চামগুৰি বিধানসভা সমষ্টিত হবলগীয়া উপ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি নগাঁও জিলাৰ চপাশালসমূহত পুস্তিকা, পোষ্টাৰ, আদি ছপাৰ ক্ষেত্ৰত জনপ্ৰতিনিধিত্ব আইন ১৯৫১ ৰ ১২৭ (ক) ধাৰাত থকা নিষেধাজ্ঞা সমূহ মানি চলিবলৈ নিৰ্দেশ দিয়া হৈছে। জিলা দণ্ডাধীশ তথা জিলা নিৰ্বাচনী বিষয়াই এই ক্ষেত্ৰত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। এই অনুসৰি কোনো ব্যক্তিয়ে ছপাকাৰী আৰু প্ৰকাশকৰ নাম ঠিকনা অবিহনে কোনো পুস্তিকা বা পোষ্টাৰ

ছপা কৰিব নোৱাৰিব। তদুপৰি ৰাজনৈতিক দল বা প্ৰতিদ্বন্দিতা আগবঢ়োৱা প্ৰাৰ্থীৰ দ্বাৰা নিৰ্বাচন আয়োগ আৰু জিলা প্ৰশাসনৰ আগতীয়া অনুমতি অবিহনে জনসমাগম, শোভাযাত্ৰা, ৰাজহুৱা সভা আদি অনুষ্ঠিত কৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। একেদৰে নিৰ্বাচনী প্ৰচাৰ নিশা দহ বজাৰ পাছত চলাাব নোৱাৰিব।

ইপিনে, জিলাখনত উপ নিৰ্বাচনৰ সময়ত আইন শৃংখলা পৰিস্থিতি বৰ্তাই ৰখাৰ বাবে এটা নিয়ন্ত্ৰণ কোষ স্থাপন কৰা হৈছে। এই কোষৰ টোল ফ্ৰি নম্বৰ ১০৭৭ আৰু লেণ্ডলাইন নম্বৰ ০৩৬৭ ২৩৮০০০ লৈ ফোন কৰি জনসাধাৰণে নিৰ্বাচনী প্ৰক্ৰিয়াক লৈ ওজৰ আপত্তি থাকিলে দাখিল কৰিব পাৰিব।

০০০০০০০

ভাৰতে নিউজিলেণ্ডৰ বিৰুদ্ধে বেংগালুৰুত অনুষ্ঠিত তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ আজি চতুৰ্থ দিনা ৪৬২ ৰানত দ্বিতীয় ইনিংছ সামৰে। ভাৰত সম্প্ৰতি নিউজিলেণ্ডৰ প্ৰথম ইনিংছতকৈ ১০৬ ৰানত আগবাঢ়ি আছে। ভাৰতৰ হৈ ছৰফৰাজ খানে ১৫০ ৰান কৰাৰ বিপৰীতে ঋষভ পণ্টে ৯৯ ৰানৰ বৰঙণি আগবঢ়ায়।

খেলৰ তৃতীয় দিনা কালি নিউজিলেণ্ডে প্ৰথম ইংনিছত ৪০২ ৰান সংগ্ৰহ কৰিছিল। ভাৰতে বৰ্ষাবিঘ্নিত খেলখনৰ দ্বিতীয় দিনা প্ৰথমে বেট ধৰি প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ৪৬ ৰানহে কৰিবলৈ সমৰ্থ হৈছিল।

০০০০০০০

সমাপ্ত